1993
Printed at the Assam Government Press
Guwahati - 781021

REFERENCE,
( NOT FOR ISSUE )

READING ONLY INSIDE LIBRARY.

# বাজেট বক্তৃতা

১৯৯৩-৯৪

২২ মার্চ, ১৯৯৩

শ্ৰীজীৱ কান্ত গগৈ

বিত্তমন্ত্ৰী, অসম

REFERENCE.
( NOT FOR ISSUE )

READING ONLY INSIDE LIBRARY.

মাননীয় অধ্যক্ষ মহোদয় ,

মই এই পবিত্ৰ সদনত ১৯৯৩-৯৪ চনৰ বাজেট প্ৰাককলন উত্থাপন কৰিবলৈ পাই বৰ সুখী হৈছো ।

প্ৰায় ২০ মাহ আগতে কাৰ্য্যভাৰ গ্ৰহন কৰিয়েই এই চৰকাৰে এক গভীৰ সংকটপূৰ্ণ অৰ্থনীতিৰ সন্মুখীন হ'বলগীয়া হয় । সেয়ে চৰকাৰৰ আগত আহি পৰা প্ৰধান কৰ্তব্য সমূহ আছিল পুনৰ শৃংখলা স্থাপন কৰি ৰাইজৰ মনলৈ আস্থা ঘুৰাই অনা আৰু অৰ্থনীতিক পুনৰ সবল কৰি তোলা । দৃঢ় আৰু অবিৰত প্ৰচেষ্টাৰে স্বাভাবিক অৱস্থা আৰু শান্তি ঘুৰাই অনাৰ লগতে প্ৰশাসনৰ ওপৰত আস্থা পুনৰ্স্থাপন কৰাৰ ক্ষেত্ৰত চৰকাৰ সফলকাম হৈছে । যোৱা বছৰ কেইটাত ৰাজ্যখনে সন্মুখীন হোৱা ভালেমান জটিল সমস্যা ইতিমধ্যে সমাধান হৈছে আৰু কিছুমান সমাধানৰ পথত ।

আইন শৃংখলাৰ সমস্যাৰ ফলত ৰাজ্যখনৰ উন্নয়নৰ গতি গুৰুতৰ ভাবে বাধাগ্ৰস্ত হৈছে । ইয়াৰ ফলত নিৰাপত্তা ব্যৱস্থা বাহাল ৰখাত আৰু হিংসা আৰু অশান্ত পৰিস্থিতিৰ বলি হোৱা সকলক সাহায্য দিয়াৰ বাবে চৰকাৰে অতিৰিক্ত বৃহৎ ব্যয়ৰ বোজা বহন কৰিবলগীয়া হৈছে । তাৰোপৰি ই ৰাজ্যখনত ব্যক্তিগত বিনিয়োজনৰ সম্ভাবনাত অন্তৰায়ৰ সৃষ্টি কৰিছে । উদাৰ অৰ্থনৈতিক নীতি গ্ৰহন কৰোতে চৰকাৰৰ ভূমিকাও পৰিবৰ্ত্তন হব পাৰে । কিন্তু অসমৰ লেখীয়া এখন ৰাজ্যৰ ক্ষেত্ৰত চৰকাৰেই প্ৰধান বিনিয়োজনকাৰীৰ ভূমিকা পালন কৰি যাব লাগিব কিয়নো চৰকাৰী বিনিয়োজন কৰ্ত্তনৰ সমপাতে ব্যক্তিগত খণ্ডৰ বিনিয়োজনৰ পৰিমান বৃদ্ধি পোৱাৰ সম্ভাবনা নাই । উন্নয়নৰ যিকোনো মাপকাঠিৰেই নেচাঁও কিয় অসম দেশৰ প্ৰায়বোৰ ৰাজ্যতকৈ পিছপৰা আৰু সেইবাবে অৰ্থনীতিৰ সকলো খণ্ডতে বলিষ্ঠ পদক্ষেপৰ প্ৰয়োজন ।

**ৰাজ্যিক আয়**

১৯৯১-৯২ চনৰ বাবে প্ৰকৃত ৰাজ্যিক ঘৰুৱা উৎপাদনৰ (NSDP) দ্ৰুত হিচাপ অনুযায়ী চলিত মূল্যত ৯৫৬২ কোটি টকা

আৰু স্থিৰ মূল্যত (১৯৮০-৮১) ৪৩২৮ কোটি টকা বুলি নিৰ্ধাৰণ কৰা হৈছে । ১৯৯০-৯১ চনৰ বাবে অনুৰূপ সাময়িক হিচাপ আছিল যথাক্ৰমে ৮৬৮০ কোটি টকা আৰু ৩৯৭১ কোটি টকা । ১৯৯১-৯২ চনৰ প্ৰকৃত ৰাজ্যিক ঘৰুৱা উৎপাদন ১৯৯০-৯১ চনতকৈ চলিত মূল্যত ১০.২ শতাংশ আৰু স্থিৰ মূল্যত ৯ শতাংশ বৃদ্ধি পায় । আন হাতে, ১৯৮৯-৯০ চনৰ তুলনাত ১৯৯০-৯১ চনত অনুৰূপ পৰিবৰ্ত্তনৰ শতকৰা হাৰ আছিল যথাক্ৰমে ১২.১ শতাংশ আৰু ৪ শতাংশ। আগৰ বছৰটোৰ যথাক্ৰমে ৩৯৩২ টকা আৰু ১৭৯৯টকাৰ বিপৰীতে ১৯৯১-৯২ চনৰ জনমুৰি আয় চলিত মূল্যত ৪২৩০ টকা আৰু স্থিৰ মূল্যত ১৯১৫টকাত নিৰ্ধাৰণ কৰা হৈছে । ই ১৯৯০-৯১ চনতকৈ ১৯৯১-৯২ চনত চলিত মূল্যত ৭.৬ শতাংশ আৰু স্থিৰ মূল্যত ৬.৪ শতাংশ বৃদ্ধি পোৱা সূচায়। ১৯৮৯-৯০ চনতকৈ ১৯৯০-৯১ চনত জনমুৰি আয় বৃদ্ধিৰ হাৰ আছিল যথাক্ৰমে চলিত মূল্যত ৯.৬ শতাংশ আৰু স্থিৰ মূল্যত ১.৬ শতাংশ ।

**মূল্য**

১৯৯২ চনৰ প্ৰথম ভাগলৈ মূল্যৰ উৰ্দ্ধগামী গতি অব্যাহত আছিল । কিন্তু বছৰটোৰ শেষৰ পিনলৈ এই বৃদ্ধি হ্ৰাস পায় । ১৯৯২ চনৰ জানুৱাৰীৰ পৰা নবেম্বৰলৈ গড় হিচাপে পাইকাৰী মূল্যসূচী আগৰ বছৰৰ একে সময় ছোৱাৰ ১৪ শতাংশ বৃদ্ধিৰ তুলনাত ১১ শতাংশ বৃদ্ধি পাইছিল । সেইদৰে, ১৯৯২ চনৰ নবেম্বৰত শ্ৰমিক শ্ৰেনীৰ বাবে (ভিত্তি ১৯৪৯) গ্ৰাহক মূল্যসূচীও আগৰটো বছৰতকৈ ৭.৭ শতাংশ বৃদ্ধি পোৱা পৰিলক্ষিত হয় । অৱশ্যে, ১৯৯২ চনৰ জানুৱাৰীৰ পৰা নবেম্বৰৰ ভিতৰত গড় হিচাপে গ্ৰাহক মূল্যসূচী ১৯৯১ চনতকৈ ১১.৬ শতাংশ বৃদ্ধি পায় ।

**নিয়োগ**

এমপ্লয়মেণ্ট মাৰ্কেট ইনফৰমেচন প্ৰগ্ৰেমৰ পৰা পোৱা তথ্য অনুযায়ী, ৰাজহুৱা আৰু ব্যক্তিগত দুয়োটা খণ্ডকে ধৰি ৰাজ্য খনৰ সংগঠিত খণ্ডৰ কৰ্মচাৰীৰ সংখ্যা ১৯৯১ চনৰ মাৰ্চ মাহত আছিল ১০.৫১ লাখ । ১৯৯২ চনৰ মাৰ্চ মাহত এই সংখ্যা ১০.৮২ লাখলৈ বৃদ্ধি পায় । এই বৃদ্ধিৰ হাৰ ২.৯ শতাংশ । ১৯৯২ চনৰ মাৰ্চলৈকে মুঠ নিয়োগৰ ভিতৰত মহিলা কৰ্মচাৰীৰ সংখ্যা প্ৰায় ৩.৩১ লাখ । ই মুঠ কৰ্মচাৰীৰ ৩০.৬ শতাংশ । নিয়োগ বিনিময় কেন্দ্ৰৰ চলন্ত পঞ্জী

অনুসৰি ৰাজ্যখনত চাকৰি প্ৰাৰ্থীৰ সংখ্যা ১৯৯১ চনৰ ছেপ্টেম্বৰ মাহৰ শেষৰ ১৩.১৫ লাখৰ পৰা ১৯৯২ চনব জুনব শেষলৈ ৩.৭ শতাংশ বৃদ্ধিৰে ১৩.৬৩ লাখলৈ বাঢ়ে । ১৯৯১ চনৰ জুনলৈকে চাকৰি প্ৰাৰ্থীৰ মুঠ সংখ্যাৰ ভিতৰত শিক্ষিত চাকৰি প্ৰাৰ্থীৰ সংখ্যা আছিল ৮.১৭ লাখ আৰু ই আছিল মুঠ সংখ্যাৰ ৫৯.৯ শতাংশ । সেই তাৰিখত মহিলা চাকৰি প্ৰাৰ্থীৰ সংখ্যা আছিল ২.৮৩ লাখ আৰু অনুসূচীত জাতি আৰু অনুসূচীত জনজাতি চাকৰি প্ৰৰ্থীৰ সংখ্যা আছিল যথাক্ৰমে ০.৭৮ লাখ আৰু ১.৪১ লাখ ।

**বাৰ্ষিক পৰিকল্পনা ১৯৯৩-৯৪**

১৯৯৩-৯৪ চনৰ বাৰ্ষিক পৰিকল্পনাৰ আবন্টন চলিত বছৰব ৯৬০ কোটি টকাৰ তুলনাত ১০২৭ কোটি টকাত ধাৰ্য্য কৰা হৈছে । ইয়াৰে ৯৫৬.১৬ কোটি টকা সাধাৰণ অঞ্চলৰ বাবে আৰু ৭০.৮৪ কোটি টকা পাৰ্বত্য অঞ্চলৰ বাবে । মুঠ পৰিকল্পনাৰ আবন্টনব ভিতৰত জনজাতি উপ-পৰিকল্পনাৰ বাবে ধাৰ্য্য কৰা ধনৰ পৰিমান চলিত বছৰৰ ৯৫.৭১ কোটি টকাৰ বিপৰীতে ১০২.৫০ কোটি টকালৈ বৃদ্ধি কৰা হৈছে । সেইদৰে অনুসূচীত জাতি সংযোগী পকিল্পনাৰ বাবে ৫৭.৮৫ কোটি টকাৰ বিপৰীতে ৬৩.৮৪ কোটি টকালৈ বৃদ্ধি কৰা হৈছে। তদুপৰি পাৰ্বত্য পৰিকল্পনা, জনজাতি উপ-পৰিকল্পনা আৰু অনুসূচীত জাতি সংযোগী আঁচনিক সংযোগী বিশেষ কেন্দ্ৰীয় সাহায্যেৰে বৃদ্ধি কৰা হ'ব । চুড়ান্ত নোহোৱা পৰ্য্যন্ত এই বিশেষ আবন্টন আনুমানিক ভাবে যথাক্ৰমে ৩৮.৮৭ কোটি , ১১.২৮ কোটি আৰু ২.৭৬ কোটি টকা বুলি ধৰি থোৱা হৈছে ।

১৯৯৩-৯৪ চনৰ বাৰ্ষিক পৰিকল্পনাত আবন্টিত ১০২৭ কোটি টকাৰ ৮৪৪.৩৬ কোটি টকা আহিব সাধাৰণ কেন্দ্ৰীয় সাহায্যৰ পৰা, ৮৬.৮০ কোটি টকা বৈদেশীক সাহায্যপ্ৰাপ্ত প্ৰকল্পৰ সাহায্যৰ পৰা আৰু ৭২.২০ কোটি টকা নৱম বিত্তীয় আয়োগে ধাৰ্য্য কৰা পৰিকল্পনা ৰাজহ অনুদানৰ পৰা । এনেদৰে, কেন্দ্ৰৰ পৰা পোৱা মুঠ সাহায্য হ'ল ১০০৩.৩৬ কোটি টকা আৰু বাকী ২৩.৬৪ কোটি টকা হ'ল ৰাজ্যৰ বৰঙণি । ৰাজ্যৰ বৰঙণি মুকলি বজাৰ ঋণ, প্ৰতিষ্ঠানিক ঋণ আৰু

ক্ষুদ্র সঞ্চয়ৰ সংগ্ৰহৰ বিপৰীতে লোৱা ঋণৰ পৰা পূৰণ কৰা হব বুলি আশা কৰা হৈছে । ১৯৯৩-৯৪ চনৰ বাৰ্ষিক পৰিকল্পনাত সামাজিক সেৱা খণ্ডই ৩৪৪.৪৭ কোটি টকাৰ আবন্টনেৰে প্ৰথম অগ্ৰাধিকাৰ লাভ কৰিছে । ই মুঠ আবন্টনৰ ৩৩.৫৪ শতাংশ । শক্তি খণ্ডই ২২৬ কোটি টকাৰ আবন্টনেৰে দ্বিতীয় অগ্ৰাধিকাৰ লাভ কৰিছে। ই মুঠ আবন্টনৰ ২২ শতাংশ । কৃষি আৰু আনুসাঙ্গিক সেৱাৰ বাবে ১৩৫.৩১ কোটি টকাৰ আবন্টন ধাৰ্য্য কৰা হৈছে । ই মুঠ আবন্টনৰ ১৩.১ শতাংশ ।

**কৃষি**

ৰাজ্য খন কৃষিৰ ওপৰত এতিয়াও অতিমাত্ৰা নিৰ্ভৰশীল । শ্ৰমিক শ্ৰেণীৰ এক বৃহৎ অংশ –প্ৰায় ৬৫ শতাংশ– কৃষিৰ লগত জড়িত । ধানৰ খেতিয়েই এতিয়ালৈকে কৃষি ক্ষেত্ৰত প্ৰাধান্য লাভ কৰি আছে । কৃষি ক্ষেত্ৰত এটা বিশেষ মন কৰিবলগীয়া আৰু সন্তোষৰ বিষয় হ'ল যে খাদ্য শস্যৰ উৎপাদন বিশেষকৈ, ধান, ঘেহু, গম, মাহ জাতীয় শস্য আৰু তৈল বীজৰ উৎপাদন যোৱা কেই বছৰত ক্ৰমাগত ভাৱে বৃদ্ধি পাই আহিছে। বৰ্তমানৰ উৎপাদন বৃদ্ধিৰ হাৰ অব্যাহত থাকিলে খাদ্যশস্য উৎপাদন পৰিস্থিতি অনতিপলমে অধিক উন্নত হ'ব আৰু অহা বছৰলৈ ৩৬.৩৬লাখ টন খাদ্য শস্য উৎপাদনৰ লক্ষ্যত উপনীত হব পৰা যাব বুলি আশা কৰা হৈছে । কৃষি ক্ষেত্ৰত আমাৰ মূল লক্ষ্য হ'ব ফলমূল আৰু শাক-পাচলিকে ধৰি, কৃষি ক্ষেত্ৰৰ পৰিসৰ বৃদ্ধি কৰা, জলসিঞ্চন ব্যৱস্থাৰ উন্নয়ন, সাৰ আৰু বীজৰ ভঁৰাল স্থাপন আৰু বিতৰণ ব্যৱস্থা, অন্যান্য সা-সঁজুলীৰ বিতৰণৰ ফলপ্ৰসূ ব্যৱস্থা, বছৰত দুটা বা ততোধিক খেতিৰে কৃষি পদ্ধতি দৃঢ়ীপ্ৰভৱ কৰা, বজাৰ সমৰ্থনৰ ব্যৱস্থা কৰা আৰু উন্নত কৃষি পদ্ধতি অৱলম্বন কৰা । ১৯৯৩-৯৪ চনৰ বাৰ্ষিক পৰিকল্পনাত কৃষিৰ বাবে ৬৯.৪০ কোটি টকাৰ আবন্টন কৰা হৈছে ।

**পঞ্চায়ত আৰু গ্ৰাম্য উন্নয়ন**

সমূহ ৰাইজক জড়িত কৰাৰ লক্ষ্যেৰে নৱ-নিৰ্বাচিত ৩ থলগীয়া পঞ্চায়ত ৰাজ নিকায় বোৰক গ্ৰাম্যাঞ্চলত বিভিন্ন উন্নয়নমূলক কামকাজ ৰূপায়নৰ দায়িত্ব দিয়া হৈছে । গ্ৰাম্যাঞ্চলৰ দুখীয়া জনসাধাৰণৰ জীৱন ধাৰণৰ মানদণ্ডৰ দ্ৰুত পৰিবৰ্তন সাধন কৰাৰ

উদ্দেশ্যে চৰকাৰৰ বিশেষ অগ্ৰাধিকাৰ লাভ কৰা দুখন আঁচনি হ'ল- সংহত গ্ৰাম্য উন্নয়ন আঁচনি আৰু জৱাহৰ ৰোজগাৰ যোজনা । এই আঁচনি দুখনৰ পৰিপূৰক হিচাপে ট্ৰাইচেম (TRYSEM) আৰু ডি, ডব্লিউ, চি, আৰ, এ (DWCRA) নামৰ দুখন আঁচনিৰ জৰিয়তে প্ৰশিক্ষণ আৰু আত্মসংস্থাপনৰ ব্যৱস্থাও কৰা হৈছে । উন্নত চূলা বিতৰণ, পথ বন্তিৰ ব্যৱস্থা, জৈবিক গেচ প্ৰকল্প স্থাপন আৰু অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ লোকলৈ নিম্ন ব্যয়ত আবাস গৃহৰ ব্যৱস্থা আদি হৈছে অন্যান্য কেতবোৰ গ্ৰামোন্নয়ন আঁচনি ।

**স্বাস্থ্য**

"দুহেজাৰ চনত সকলোৰে বাবে স্বাস্থ্য"-এই লক্ষ্য সাধনৰ বাবে স্বাস্থ্য খণ্ডৰ আঁচনি সমূহ প্ৰস্তুত কৰা হৈছে । এই খণ্ডৰ অধীনত সামৰি লোৱা প্ৰধান আঁচনি সমূহ হ'ল সংক্ৰামক ৰোগ সমূহৰ নিয়ন্ত্ৰন আৰু নিৰ্মূলকৰন, দেশীয় চিকিৎসা পদ্ধতিৰ ক্ষেত্ৰত চিকিৎসাৰ সা-সুবিধাৰ উন্নীতকৰন আৰু সম্প্ৰসাৰন, চিকিৎসা সাহায্য আগ বঢ়োৱাত আত্মনিয়োগ কৰা স্বেচ্ছা—সেৱী সংগঠনবোৰলৈ বিত্তীয় সাহায্য মঞ্জুৰ কৰা আৰু খাদ্য ভেজালকৰন প্ৰতিৰোধ কৰা আৰু নিচাযুক্ত দ্ৰব্য (ড্ৰাগছ) নিয়ন্ত্ৰনৰ লেখিয়া সহযোগী আঁচনিসমূহ । ৰাষ্ট্ৰীয় "এইড্‌ছ" নিয়ন্ত্ৰন আঁচনিৰ অধীনত স্বাস্থ্য সেৱা সঞ্চালকালয়ৰ অধীনত এটা বিশেষ কক্ষ খোলা হৈছে ।

নূন্যতম চাঁহিদা আঁচনিৰ অধীনত সমূহীয়া স্বাস্থ্যকেন্দ্ৰ আৰু প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰৰ ৪২ টা ভৱনৰ কাম সম্পূৰ্ণ হোৱাৰ পথত । তাবোপৰি, বৰপেটা, মঙ্গলদৈ, লক্ষীমপুৰ, হাফলং, ডিফু, ৰঙিয়া, ওদালগুৰি আৰু গড়মুৰত অসামৰিক হাস্পাতাল ভৱন সমূহৰ নিৰ্মাণৰ কাম আগ বাঢ়ি আছে । ১৯৯৩-৯৪ চনৰ বাবে স্বাস্থ্য শিতানত ৩৯,২০ কোটি টকাৰ পৰিকল্পনা ব্যয়ৰ প্ৰস্তাৱ লোৱা হৈছে । ইয়াৰ ৩,২৪ কোটি টকা পাৰ্ব্বত্যাঞ্চলৰ বাবে ধাৰ্য্য কৰা হৈছে ।

ভাৰত চৰকাৰৰ পূৰ্ণ শতাংশ সাহায্যৰে গ্ৰহণ কৰা পৰিয়াল কল্যাণ আঁচনিখন হ'ল কেন্দ্ৰীয়ভাৱে গ্ৰহণ কৰা আঁচনি ।

উদ্যোগ

১৯৯১ চনৰ উদ্যোগিক নীতিৰ সৈতে সংগতি ৰাখি স্থানীয় অৱস্থা আৰু পৰিবেশৰ সৈতে খাপ খোৱা আৰু স্থানীয় প্ৰাকৃতিক সম্পদৰ ওপৰত নিৰ্ভৰশীল উদ্যোগ সমূহৰ বিকাশ আৰু উন্নীতকৰনৰ ওপৰত আমাৰ গুৰুত্ব অব্যাহত থাকিব । ৰূপায়নৰ বিভিন্ন স্তৰত উপনীত হোৱা প্ৰধান উদ্যোগ সমূহ হ'ল গেচ ক্ৰেকাৰ প্ৰকল্প, প্ৰাগ্‌বছিমী চিনথেটিক্ লিমিটেড্ , অসম উদ্যোগিক উন্নয়ন নিগমৰ এক নিযুত টন উৎপাদন সামৰ্থ্যৰ বিলাতী মাটি প্ৰকল্প, টেক্সটাইল্ প্ৰচেচ্ হাউচ, চেক ক্ৰেফট্ প্ৰকল্প ইত্যাদি । মই সদনক জনাবলৈ পাই সুখী হৈছো যে ৩ নিযুতটন উৎপাদন সামৰ্থ্যৰ নুমলিগড়ৰ শোধানাগাৰৰ কাম-কাজো সন্তোষজনক ভাবে আগবাঢ়ি আছে । ১৯৯৩-৯৪ চনত উদ্যোগ আৰু খনিৰ বাবে ধাৰ্য্যকৰা প্ৰস্তাৱিত বাৰ্ষিক পৰিকল্পনা ব্যয় হ'ল ৬৬.৫০ কোটি । ইয়াৰে গ্ৰাম্য আৰু ক্ষুদ্ৰ উদ্যোগৰ বাবদ ২৭.০০ কোটি টকা, অন্যান্য উদ্যোগৰ বাবদ ৩৬.৫০ কোটি আৰু খনিৰ বাবে ৩.০০ কোটি ধৰা হৈছে ।

বিদ্যুৎ

কাৰিকৰী আৰু সাংগঠনিক উভয় দিশকে ধৰি বিভিন্ন কাৰণবশতঃ বিদ্যুৎ খণ্ডত প্ৰতিস্থিত সামৰ্থ্যৰ অতি কম অংশহে উৎপাদনক্ষম হৈ থকা বাবে ৰাজ্যখনৰ বিদ্যুৎ পৰিস্থিতি আশানুৰূপ হোৱা নাই । এই পৰিস্থিতিৰ মোকাবিলা কৰিবলৈ বৰ্ত্তমানে থকা কিছুমান গোটৰ উন্নতিকৰন আৰু আধুনিকীকৰনৰ কাম চলি আছে । তদুপৰি এচিয়ান উন্নয়ন বেংক আৰু ব্যক্তিগত খণ্ডৰ জৰিয়তে সমকালিনভাবে বৰ্ত্তমানে থকা সামৰ্থ্যৰ বহুল ব্যৱহাৰিক উন্নতি আৰু প্ৰতিষ্ঠিত সামৰ্থ্য শক্তি বৃদ্ধি কৰাৰ বাবে নতুন পদক্ষেপ গ্ৰহণ কৰা হৈছে ।

১৯৯১-৯২ চনৰ বছৰটোৰ শেষলৈ গ্ৰাম্য বৈদ্যুতিকৰন আঁচনিয়ে সামৰি লোৱা গাওঁৰ সংখ্যা হৈছিলগৈ ২১,৪৬৪ খন । ১৯৯১-৯২ চনত ১৬১ টা পাম্পচেট্ শক্তি সঞ্চাৰিত কৰা হয় ।

১৯৯৩-৯৪ চনত বিদ্যুৎ খণ্ডৰ বাবে অনুমোদিত বাৰ্ষিক পৰিকল্পনা ব্যয়ৰ পৰিমাণ হ'ল ২২৫.৫০ কোটি টকা । ইয়াৰে সাধাৰণ

অঞ্চলৰ বাবে ২১৮.৪০ কোটি টকা আৰু পাৰ্ব্বত্য অঞ্চলৰ বাবে ৭.১০ কোটি টকা ধৰা হৈছে ।

**শিক্ষা**

১৯৯৩-৯৪ চনত ৰাজ্যখনৰ বৰ্ত্তমানে থকা শিক্ষা অনুষ্ঠানবোৰক সৰ্বাধিক ফলপ্ৰসূ কৰি তোলাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হ'ব । প্ৰশিক্ষণ আৰু গুণগত মান উন্নয়নত অধিকতৰ গুৰুত্ব দিয়া হ'ব যাতে ৰাজ্যখনত শিক্ষাৰ মানদণ্ডৰ গুণগত উন্নতি পৰিলক্ষিত হয় ।

বৰ্ত্তমান চৰকাৰে কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পিচতে ৰাজ্যখনত শৈক্ষিক পৰিবেশ উন্নত কৰিবৰ বাবে প্ৰয়োজনীয় প্ৰচেষ্টা কৰা হৈছে । ১৯৯৩-৯৪ চনত এই প্ৰচেষ্টা অধিক তীব্ৰতৰ কৰা হ'ব । সকলোবোৰ শিক্ষা অনুষ্ঠানৰে পৰিদৰ্শন আৰু সুক্ষ্ম পৰ্য্যবেক্ষণ কৰা হ'ব। বৰ্ত্তমানে থকা বুনিয়াদ আৰু অন্যান্য সা-সুবিধাৰ পৰ্য্যাপ্ত ব্যৱহাৰেৰে স্কুল, কলেজ আৰু অন্যান্য প্ৰতিষ্ঠানত নিয়মীয়া পাঠদান কৰিবৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হ'ব । ১৯৯৩-৯৪ চনত সাধাৰণ শিক্ষাৰ কাৰণে পৰিকল্পনা আবন্টন হ'ল ১৯১.৫০ কোটি টকা ।

**পাৰ্বত্য অঞ্চল উন্নয়ন**

পাৰ্বত্য অঞ্চলৰ সংহত উন্নয়নৰ হকে কৃষিভিত্তিক কাম-কাজ, বাগিছা শস্যৰ উন্নয়ন, বন কাৰ্য্যসূচী আৰু ৰেচম আৰু বয়নৰ সম্প্ৰসাৰণত অত্যাধিক গুৰুত্ব দিয়া হ'ব । পাৰ্বত্যাঞ্চলৰ প্ৰশাসনত অধিক স্বায়ত্বতা প্ৰদানৰ অৰ্থে জিলা পৰিষদলৈ অলপতে ত্ৰিশটা অতিৰিক্ত বিষয় (Subjects) হস্তান্তৰ কৰা হৈছে ।

**অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ কল্যান**

ৰাজ্যখনৰ চাহ জনজাতি আৰু প্ৰাক্তন চাহ বাগিছা জনজাতিকে ধৰি অনুসূচীত জাতি, জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ লোকৰ আৰ্থ—সামাজিক উন্নয়নৰ প্ৰতি চৰকাৰে বিশেষ মনোযোগ দিছে । অহা বিত্তীয় বছৰত বিশেষ কেন্দ্ৰীয় পৰিপূৰক সাহায্য ১১.২৮ কোটি টকা আৰু ৰাজ্যিক পৰিকল্পনাৰ ১০২.৫০ কোটি টকা— মুঠ ১১৩.৭৮ কোটি টকা জনজাতি উপপৰিকল্পনাৰ অধীনত ধাৰ্য্য কৰা হৈছে । সেইদৰে অনুসূচীত জনজাতিৰ বাবে বিশেষ সংযোগী আঁচনিৰ অধীনত ধাৰ্য্য কৰা হৈছে মুঠ ৬৬.৬০ কোটি টকা,

ইয়াৰে ৬৩.৮৪ কোটি টকা ৰাজ্যিক পৰিকল্পনাৰ পৰা আৰু ২.৭৬ কোটি টকা বিশেষ কেন্দ্ৰীয় সাহায্যৰ । এই ব্যয় সমূহৰ ভিতৰত প্ৰাথমিক স্বাস্থ্য সেৱা, খোৱাপানীৰ সুবিধা, শিক্ষা, পথ আৰু যাতায়াতৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ দিয়া হব । শিক্ষাৰ ক্ষেত্ৰত এই সম্প্ৰদায় সমূহৰ পৰা অহা দুখীয়া ছাত্ৰ-ছাত্ৰী সকলৰ বাবে বৰ্ত্তমানে থকা প্ৰাক-প্ৰৱেশিকা আৰু প্ৰবেশিকাৰ পৰৱৰ্ত্তী পৰ্য্যায়ৰ বৃত্তি সমূহ অব্যাহত থাকিব । ইয়াৰোপৰি এই সম্প্ৰদায় সমূহৰ লোকসকলৰ বাবে থকা স্ব-নিয়োজনৰ সুবিধা সমূহৰ প্ৰতি উচ্চ অগ্ৰাধিকাৰ দিয়া হব ।

**বেংক সেৱা**

ৰাজ্যখনৰ উন্নয়নৰ ক্ষেত্ৰত বেঙ্কসমূহৰ এটা অতি গুৰুত্বপূৰ্ণ ভূমিকা আছে । মই জনাবলৈ পাই সুখী হৈছো যে ৰাজ্যখনত ভালে সংখ্যক বেঙ্কে তেওঁলোকৰ শাখা মুকলি কৰিছে। কিন্তু তথাপিও দেশৰ বাকী অংশৰ তুলনাত অসমত বেঙ্কৰ সংখ্যা কম । ১৯৯২ চনৰ জুনৰ শেষলৈকে ৰাজ্যখনত থকা অনুসূচীত বানিজ্যিক বেঙ্কৰ মুঠ শাখা আছিল ১২২১টা । জনসংখ্যা অনুসৰি ৰাষ্ট্ৰীয় গড় হিচাপত ১৪,০০০ জন মানুহৰ বিপৰীতে আমাৰ ৰাজ্যখনত প্ৰতি ১৮,০০০ জন মানুহৰ বাবে এটাকৈহে বেঙ্ক আছে । ১৯৯২ চনৰ জুন মাহত বেঙ্ক সমূহৰ মুঠ জমাৰ পৰিমান হৈছে ২,৪৭২ কোটি টকা আৰু ঋণ দিছে ১২,১১০ কোটি টকা । এই পৰিসংখ্যাৰ ভিত্তিত ১৯৯২ চনৰ জুন মাহত সৰ্বভাৰতীয় গড় ৬১.৭ শতাংশৰ বিপৰীতে অসমত জমা-ঋণৰ অনুপাত হৈছে ৪৮.৯ শতাংশ ।

**দশম বিত্ত আয়োগ**

এই সুযোগতে মই সদনক দশম বিত্ত আয়োগ গঠনৰ বিষয়েও অবগত কৰিব খুজিছো । ১৯৯৩ চনৰ ৩০ নৱেম্বৰৰ ভিতৰত এই আয়োগে প্ৰতিবেদন দাখিল কৰাৰ আশা আছে । ১৯৯৫ চনৰ পহিলা এপ্ৰিলৰ পৰা ২০০০ চনৰ ৩১মাৰ্চ–এই পাঁচ বছৰ কালৰ বাবে আয়োগে অনুমোদন আগবঢ়াব । ৰাজ্যচৰকাৰৰ তৰফৰ পৰা চূড়ান্ত স্মাৰক পত্ৰ ইতিমধ্যে দশম বিত্ত আয়োগৰ আগত দাখিল কৰা হৈছে । এই আয়োগে অনতিপলমে অসম ভ্ৰমণ কৰি ৰাজ্য চৰকাৰৰ লগত বিশদ আলোচনা কৰাৰ আশা আছে ।

**ৰাজ্যিক বিত্তীয় পৰিস্থিতি**

বিভিন্ন কাৰনত চলিত বছৰৰ আৰম্ভনিৰ পৰাই ৰাজ্যৰ বিত্তীয় পৰিস্থিতি এক সংকটাৱস্থাৰ সম্মুখীন হৈ আহিছে । বৰ্দ্ধিত দৰ্মহা বিল, বৃহৎ পৰিমানৰ ঋণৰ বোজা আৰু আইন শৃংখলা ৰক্ষাৰ বাবে কৰিবলগীয়া হোৱা বৃহৎ খৰচৰ বাবে ৰাজ্যৰ ব্যয়ৰ পৰিমান আয় বৃদ্ধিৰ তুলনাত বেছিকৈ বাঢ়ে । ইয়াৰ ফলত বাজেটৰ ভাৰসাম্য ৰক্ষা কৰাত বাধাৰ সৃষ্টি হয় । ঋণৰ ওপৰত নিৰ্ভৰ কৰি পৰিকল্পনা বৰ্হিভূত ব্যয়ৰ পৰিমান বৰ্দ্ধিত হৈ পৰাত ঋণ পৰিশোধৰ দায়িত্বও ক্ৰমাৎ বৃদ্ধি পাইছে । তাৰ ফলত আকৌ ঋণ লব লগা হৈছে । এনে পৰিস্থিতিত অতিৰিক্ত বিত্তীয় সম্পদ আহৰণ, সীমিত সম্পদৰ সদ্‌ব্যৱহাৰ আৰু অপব্যয় বন্ধ কৰি বিত্তীয় সংকট আঁতৰ কৰাৰ বাবে আমি যত্নপৰ হব লাগিব ।

বিত্তীয় ঘাটি হ্ৰাস কৰাৰ যিকোনো প্ৰচেষ্টাতে ব্যয় কৰ্তন অপৰিহাৰ্য্য । কিন্তু তেনে কৰোতে উন্নয়নৰ কাম কাজ ব্যাহত হ'ব নালাগিব । মই আগতে উল্লেখ কৰাৰ দৰে, দৰ্মহা আৰু মজুৰীয়েই পৰিকল্পনা বহিৰ্ভূত ব্যয়ৰ একক গৰিষ্ঠ অংশ । যোৱা দৰমহা আয়োগৰ অনুমোদন অনুসৰি কৰ্মচাৰী সকলক বছৰত দুবাৰ–এবাৰ জানুৱাৰীত আৰু এবাৰ জুলাই মাহত বৰ্দ্ধিত হাৰত মৰগীয়া বানচ দিব লগীয়া হয় । চলিত বছৰতো মৰগীয়া বানচৰ দুটা কিস্তি ক্ৰমে ১৯৯২ চনৰ পহিলা জানুৱাৰী আৰু পহিলা জুলাইৰ পৰা দিব লগা হৈছে । ইয়াৰ বাবে অতিৰিক্ত ১৩০ কোটি টকা ব্যয় হ'ব । এই মৰগীয়া বানচৰ চলিত কিস্তি চেপ্তেম্বৰৰ মাহৰ পৰা মুকলি কৰি দিয়া হৈছে । অৱশ্যে সম্পদৰ নাটনিৰ কাৰণে ১৯৯২ চনৰ আগষ্ট মাহলৈকে দিবলগীয়া বকেয়া খিনি মুকলি কৰি দিব পৰা হোৱা নাই।

পৰিকল্পনা বৰ্হিভূত ব্যয়ৰ আন এটা প্ৰধান অংশ হল ঋণ পৰিশোধ আৰু সুদ আদায় । ৰাজহুৱা ঋণ বৃদ্ধিৰ লগে লগে ঋণ পৰিশোধৰ দায়িত্বও ক্ৰমে বৃদ্ধি পাইছে । ১৯৮৯-৯০ চনৰ শেষলৈকে অসমৰ ৰাজহুৱা ঋণৰ পৰিমান আছিল ৩৭০৫ কোটি টকা । ১৯৯০-৯১ চনত এই পৰিমান ৪৩০৯ কোটি হয়গৈ আৰু ১৯৯১-৯২ চনত ই হয়গৈ ৪৫৬৪ কোটি টকা । পৰিশোধ কৰিব লগীয়া ৰাজহুৱা ঋণৰ ভিতৰত

কেন্দ্ৰল ভাৰত চৰকাৰৰ পৰা লোৱা ঋণৰ পৰিমাণ আছিল ১৯৮৯-৯০ চনত ৩০৯৬ কোটি টকা , ১৯৯০-৯১ চনত ৩৬৩৫ কোটি টকা আৰু ১৯৯১-৯২ চনত ৩৭৮৯ কোটি টকা । এইদৰে দেখাযায় যে প্ৰতিবছৰে ৰাজ্যখনৰ মুঠ ঋণৰ বোজাৰ শতকৰা ৮০ ভাগতকৈয়ো অধিক ভাৰত চৰকাৰক দিবলগীয়া ঋণ । কেন্দ্ৰীয় সাহায্যৰ পৰিবৰ্ত্তিত ঋন আৰু অনুদানৰ নিবিখৰ সুবিধা যিহেতু ১-৪-৯০ ৰ পৰা কাৰ্য্যকৰী হৈছে , সেয়ে এই তাৰিখৰ পূৰ্ব্বৰ সময়ছোৱাৰ কেন্দ্ৰীয় ঋণ খিনি এই সুবিধাৰ পৰিধিৰ বাহিৰত ৰৈ গৈছে । ১৯৯৩-৯৪ চনৰ বাবে সুদ আদায় দিয়া আৰু মূলধন পৰিশোধ কৰাৰ বাবে দিবলগীয়া ধনৰ আনুমানিক হিচাপ হ'ল যথাক্ৰমে ৫৬৭.৬৩ কোটি টকা আৰু ৩৫১.৬৩ কোটি টকা । এই বৃহৎ পৰিমানৰ ধন পাৰিশোধ কৰিব লগীয়া হোৱাৰ বাবে গুৰুতৰ অসুবিধাই দেখা দিছে । ইয়াৰ ফলত ১৯৯১-৯২ চনত ৰাজ্য চৰকাৰে কেন্দ্ৰক ৪২৪ কোটি টকা ঋণ পৰিশোধ কৰাত অপাৰগ হয় । ঋণ পৰিশোধৰ ক্ষেত্ৰত ঋণ পৰিশোধৰ কিস্তি পুনৰ্নিৰ্দ্ধাৰণ কৰিবলৈ আৰু মৰেটৰিয়াম দিবলৈ ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ সৈতে কেবাবাৰো যোগাযোগ কৰিছে । কিন্তু কোনো সন্তোষজনক সঁহাৰি এতিয়ালৈকে পোৱা হোৱা নাই । ১৯৯২-৯৩ চনৰ বিত্তীয় বছৰটোৰ সময়ছোৱাত বিত্ত মন্ত্ৰালয়ে ঋণ পৰিশোধৰ বাবদ ৰাজ্যচৰকাৰে কেন্দ্ৰক দিবলগা ধন, অসম বিদ্যুৎ পৰিষদে কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন প্ৰতিষ্ঠানক দিব লগা ধন আৰু অৰ্থোপায় ঋণ, কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনী নিয়োগ আদি বিবিধ হিচাপত দিব লগা ধনৰ বিপৰীতে কেন্দ্ৰীয় সাহায্যৰ ৰাজ্যিক অংশ গুৰিতে কাটি ৰাখি দেনা-পাওনাৰ হিচাপ মিলাই থৈছো ১৯৯২ চনৰ জুলাই মাহৰ পৰা বৰ্ত্তমানলৈকে আটাইখিনি কেন্দ্ৰীয় সাহায্য ৰাজ্যখনে পৰিশোধ কৰিবলগীয়া ধনৰ বিপৰীতে সম্পূৰ্ণকৈ কাটি ৰাখিছে । ইয়াৰ উপৰিও, বিত্ত মন্ত্ৰালয়ে ক্ষুদ্ৰ সঞ্চয়ৰ অংশ হিচাপে পাবলগীয়া ঋণৰ পৰাও ২৬.২০ কোটি টকা আৰু কেন্দ্ৰীয় কৰৰ ৰাজ্যৰ অংশৰ হিচাপত পাবলগীয়া ৫১.৭৬ কোটি টকাও কাটি ৰাখিছে । এইদৰে ১৯৯২ চনৰ জুলাই মাহৰ পৰা কাটি ৰখা মুঠ টকাৰ পৰিমাণ হ'ল ৫৯২.৯৬ কোটি টকা । ইয়াৰ ফলস্বৰূপে ৰাজ্যখন এক অভূতপূৰ্ব অৰ্থনৈতিক সংকটত পৰে । এই পৰিস্থিতিত ৰাজ্যখনৰ সকলো পৰ্য্যায়তে কঠোৰ ভাৱে

ব্যয় সংকোচন কৰাৰ বাহিৰে আন উপায় আৰু নাছিল ।

বৰ্ত্তমান চৰকাৰে কাৰ্য্যভাৰ গ্ৰহন কৰাৰ সময়ত পৰিকল্পনা বহিৰ্ভূত শিতানত প্ৰায় ৬০০ কোটি টকা পৰিমাণৰ এক বৃহৎ দায়িত্ব লব লগীয়া হৈছিল । ইয়াৰ ভিতৰত আছে চৰকাৰী কৰ্মচাৰী সকলৰ বকেয়া ধন, চিকিৎসা ভাট্টাৰ বকেয়া ধন, বিভিন্ন বিভাগৰ অনাদায় হৈ থকা দেনা আৰু ষ্টেটফেদৰ দেনা । ইয়াৰে আমি প্ৰায় ২৯০ কোটি টকা পৰিশোধ কৰিলো । কিন্তু এক বুজন অংশ পৰিশোধ কৰিবলৈ এতিয়াও বাকী আছে ।

পৰিকল্পনা বহিৰ্ভূত ব্যয় বৃদ্ধি পোৱাৰ আন এক কাৰণ হ'ল বিভিন্ন সন্ত্ৰাসবাদী কাৰ্য্যকলাপৰ পৰিপ্ৰেক্ষিতত আইন শৃংখলা ৰক্ষাৰ কামত কৰিব লগা বুজন পৰিমাণৰ ব্যয় । এনে আইন শৃংখলা পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনী আৰু সৈন্য বাহিনী ৰাখিব লগা হোৱাৰ বাবেও ৰাজ্যৰ ব্যয় অধিক বৃদ্ধি পাইছে ।

বিক্ৰী কৰেই ৰাজ্য চৰকাৰৰ আয়ৰ উৎস সমূহৰ ভিতৰত সৰ্ববৃহৎ। ১৯৯২-৯৩ চনৰ সংশোধিত প্ৰাক্কলন অনুসৰি ৫০৫.৬২ কোটি টকাৰ মুঠ কৰ ৰাজহৰ ভিতৰত বিক্ৰী কৰৰ পৰিমান আছিল ৩১৮.০১ কোটি টকা যিটো ৰাজ্যখনৰ মুঠ কৰ ৰাজহৰ প্ৰায় ৬৩ শতাংশ । ১৯৯৩-৯৪ চনৰ বছৰটোত মুঠ কৰ ৰাজহ লক্ষ্য ৫২০.৭০ কোটি টকাৰ ভিতৰত বিক্ৰী কৰৰ লক্ষ্য হৈছে ৩৪৫.৯৬ কোটি টকা যিটো মুঠ ৰাজহৰ লক্ষ্যৰ প্ৰায় ৬৬ শতাংশ । ই ১৯৯৩-৯৪ বছৰটোত আগৰ বছৰৰ সংগ্ৰহতকৈ ৮.৮ শতাংশ বৃদ্ধি দেখুৱাইছে । বিগত বছৰ সমূহত বিক্ৰী কৰ সংগ্ৰহৰ ক্ষেত্ৰত এক ক্ৰমাগত বৃদ্ধি পৰিলক্ষিত হলেও ইয়াৰ ভবিষ্যত সম্ভাৱনীয়তা অতিশয় সীমিত, কাৰণ ৰাজ্যখনৰ প্ৰধান সামগ্ৰীবোৰ যেনে পেট্ৰলিয়ামজাত সামগ্ৰী, চাহ আৰু প্লাইউদৰ বেচাকিনা ঘাইকৈ আন্তঃৰাজ্যিক Stock transfer' ৰ যোগেদিহে হয় আৰু সেয়ে এই সামগ্ৰীবোৰৰ বেচা কিনাৰ অধিকাংশই বিক্ৰী কৰৰ পৰিধিৰ বাহিৰত ৰৈ যায় । আকৌ অকল বিক্ৰী কৰৰ হাৰেই

নহয় লগতে বিভিন্ন ৰাজ্যৰ কৰ লগোৱা ব্যৱস্থাও বেলেগ বেলেগ। বাণিজ্য আৰু উদ্যোগৰ উন্নয়ৰ উদ্দেশ্যে কম হাৰত কৰ লগোৱাৰ প্ৰবনতাৰ ফলত ৰাজ্য সমূহৰ মাজত প্ৰকাৰন্তৰে এক "নিৰিখ প্ৰতিযোগিতাই" দেখা দিছে। বেলেগ বেলেগ ৰাজ্যত প্ৰচলিত কৰ নিৰিখৰ পাৰ্থক্য আৰু কিছুমাণ চুবুৰীয়া ৰাজ্য কৰ মুক্ত হোৱাৰ ফলত কৰ সংগ্ৰহৰ উৎসতে আঘাত হানিছে, কৰ ফাকি দিয়াৰ সুবিধা দিছে আৰু তাৰ পৰিনতিত ৰাজ্যখনে ৰাজহ হেৰুৱাব লগা হৈছে। সি যি নহওক, সমগ্ৰ দেশ জুৰি একে ধৰণৰ কৰ নীতি এটা উলিওৱাৰ বিষয়টো বৰ্ত্তমান কেন্দ্ৰীয় আৰু ৰাজ্য উভয় চৰকাৰৰ সক্ৰিয় বিবেচনাধীন হৈ আছে।

এই ক্ষেত্ৰত প্ৰথম পদক্ষেপ হিচাবে নতুন দিল্লীৰ নেশ্যনেল ইন্ষ্টিটিউট্ অৱ পাবলিক ফাইনেন্স্ এণ্ড পলিচিৰ সহায়ত কেন্দ্ৰীয় চৰকাৰে বিভিন্ন ৰাজ্যৰ বিবেচনা আৰু গ্ৰহনৰ বাবে এখন আৰ্হি মূলক বিক্ৰীকৰ বিলৰ খচৰা প্ৰস্তুত কৰিছে।

বয়বস্তু ক্ৰয়-বিক্ৰয়ৰ বিভিন্ন পৰ্য্যায়ত কৰ লগোৱাৰ বাবে অসমত চাৰিখন বিক্ৰীকৰ আইন আছে। যেনে ঃ-

১। অসম বিক্ৰীকৰ আইন, ১৯৪৭,

২। অসম বিত্ত ( বিক্ৰীকৰ ) আইন ১৯৮৬,

৩। অসম মেটৰ স্পিৰিট আৰু লুব্ৰিকেন্টকে ধৰি পেট্ৰোলিয়াম আৰু পেট্ৰোলিয়াম জাত সামগ্ৰীৰ বিক্ৰী) কৰ আইন, ১৯৫৫,

৪। অসম ক্ৰয়-কৰ আইন, ১৯৬৭.

এই চাৰিখন আইনৰ বিধানসমূহ প্ৰায় একে ধৰণৰ। ইয়াৰ ফলত কৰ সংগ্ৰহ কৰোতে কৰ দাতা তথা কৰ সংগ্ৰহকাৰী দুয়োৰেই একাধিকবাৰ শ্ৰম কৰিবলগা হয়। এই আইন কেইখনৰ একত্ৰীকৰণ কৰি কৰ সংগ্ৰহ প্ৰনালী সৰল কৰাৰ যথেষ্ট থল আছে। সেই উদ্যেশ্যে নেশ্যনেল্ ইন্ষ্টিটিউট্ অৱ পাবলিক ফাইনেন্স্ এণ্ড পলিচিয়ে প্ৰস্তুত কৰা আৰ্হি অনুসৰি মই সদনৰ চলিত অধিবেশনত বিবেচনাৰ বাবে এখন বিল উত্থাপন কৰিব বিচাৰিছো। সৰলীকৰণৰ উপৰিও

কৰ ফাঁকি দিয়া ৰোধ কৰিবলৈ আৰু বেচা কিনাৰ প্ৰব্ৰজন ৰোধ কৰাৰ উদ্যেশ্যে কৰৰ নিৰিখ সমূহ যুক্তিসঙ্গত কৰাৰ প্ৰস্তাবো এই বিল খনত সন্নিবিষ্ট কৰা হৈছে । এই একত্ৰিকৃত আইন খনে বস্তু বেচাকিনাৰ শেষ পৰ্য্যায়ত কৰ দিবলগীয়া ক্ষুদ্ৰ ব্যৱসায়ী সকলকো বিশেষ সকাহ দিব ।

অতিৰিক্ত ৰাজহ সংগ্ৰহ, কৰ নিৰিখ যুক্তিসঙ্গত কৰা, আৰু দুখীয়া-নিছলা তথা সা-সুবিধাৰ পৰা বঞ্চিত হৈ থকা ৰাইজক সকাহ দিয়াৰ উদ্দেশ্যে বিভিন্ন সামগ্ৰীত বিক্ৰীকৰ প্ৰস্তাৱ কৰাৰ ক্ষেত্ৰত পূৰ্বৰ বিক্ৰীকৰৰ নিৰিখৰ তুলনাত কিছু পৰিবৰ্ত্তন ঘটোৱাবলৈ প্ৰস্তাব কৰা হৈছে । ৰাজ্য খনে যোৱা এটা বছৰ বা ততোধিক কাল গভীৰভাবে আৰ্থিক নাটনিৰ সম্মুখীন নোহোৱা হলে মই এখন কৰমুক্ত বাজেটকেই উত্থাপন কৰিলোহেঁতেন । যিবোৰ ক্ষেত্ৰত প্ৰচলিত কৰৰ নিৰিখ সামান্য বৃদ্ধি কৰিবলগা হৈছে বা নতুন কৰৰ প্ৰস্তাৱ কৰা হৈছে সেইবোৰ ক্ষেত্ৰত এনে কৰৰ বোজা যাতে দুখিয়া ৰাইজৰ ওপৰত নপৰেগৈ তাৰ বাবে মই বিশেষ চকু ৰাখিছো । এই নতুন প্ৰস্তাৱবোৰ আগবঢ়োৱাৰ পূৰ্বে মই চেম্বাৰচ্ অৱ কমাৰ্চ, বিভিন্ন বানিজ্যিক আৰু উদ্যোগিক প্ৰতিনিধি, উদ্যোগী আৰু বুদ্ধিজীৱি সকলৰ লগতো বহুবাৰ আলোচনা কৰিছো । মাননীয় সদস্য সকলে জানে যে সম্পদ আহৰণৰ বিষয়ে চৰকাৰক দিহা-পৰামৰ্শ দিবলৈ ৰাজ্যচৰকাৰে এখন সমিতি গঠন কৰি দিছে । কৰ ৰেহাই বা নতুন কৰৰ প্ৰস্তাৱ কৰোঁতে এই সমিতি খনৰ পৰামৰ্শ সমূহৰ ওপৰতো বিশেষ গুৰুত্ব দিয়া হৈছে ।

**কৰ প্ৰস্তাৱ**

মই এতিয়া প্ৰস্তাবিত নতুন আইন খনৰ প্ৰধান কৰৰ প্ৰস্তাৱ সমূহ উল্লেখ কৰিব খোজোঁ । কৰ নিৰিখৰ প্ৰস্তাৱিত পৰিবৰ্ত্তনৰ বিশদ বিৱৰণ বাজেট বক্তৃতাত সন্নিৱিষ্ট ২ নং পৰিশিষ্টত দিয়া হৈছে ।

১। বৰ্ত্তমান অসমত "হাৰ্ডৱেৰ" সামগ্ৰী সমূহত বিক্ৰীৰ শেষ পৰ্য্যায়তহে ৭ শতাংশ হাৰত কৰপ্ৰযোয্য হয় । সেয়ে কৰ ফাঁকি দিয়াৰ যথেষ্ট সুবিধা থাকে । সেয়ে এই সামগ্ৰী সমূহৰ ওপৰত বিক্ৰীৰ প্ৰথম পৰ্য্যায়তে ৮ শতাংশ হাৰত কৰ লগোৱাৰ প্ৰস্তাৱ কৰা হৈছে ।

২। অসমত ধনী শ্রেণীৰ লোকসকলেহে পান মছলা ব্যৱহাৰ কৰে, সৰ্ব-সাধাৰণ লোকে নকৰে । সকলো ধৰণৰ পান মছলাৰ ওপৰত ৮ শতাংশ কৰ ধাৰ্য্য কৰাৰ প্ৰস্তাৱ কৰা হৈছে ।

৩। "গ্ৰেনাইট টাইলছ্", "গ্ৰেনাইট শ্লেৱচ্", "মাৰ্বল চিপ্‌ছ্", "মৰ্বল শ্লেৱ" আৰু "মাৰ্বল টাইলছ্" আদি হ'ল বিলাসী সামগ্ৰী । এইবোৰ সমাজৰ অধিকতৰ আয়কৰা লোকসকলেহে ব্যৱহাৰ কৰে । এই সামগ্ৰী সমূহৰ ওপৰত অসম বিত্ত (বিক্ৰিকৰ) আইন, ১৯৫৬ৰ অধীনত এতিয়া ১২ শতাংশ হাৰত কৰ ধাৰ্য্য হয় । প্ৰস্তাৱিত নতুন আইনখনৰ অধীনত এই সামগ্ৰী সমূহৰ ওপৰত কৰ ২ শতাংশ বৃদ্ধি পাব ।

৪। বৰ্ত্তমান ভিডিঅ' কেছেট, ৰেকৰ্ড প্লেয়াৰ্ছ আৰু ইয়াৰ আনুষঙ্গিক সামগ্ৰী সমূহত ১২ শতাংশ নিৰিখৰে কৰ প্ৰযোয্য হয় । এই সামগ্ৰীবোৰত ২ শতাংশ বৃদ্ধিৰ প্ৰস্তাৱ কৰা হৈছে ।

৫। এতিয়া কলা-বগা আৰু ৰঙীন টেলিভিছনৰ কৰ একে । কলা-বগা টেলিভিচনৰ কৰৰ ক্ষেত্ৰত কোনো বৃদ্ধিৰ প্ৰস্তাৱ কৰা হোৱা নাই । আনহাতে সকলো ধৰণৰ ৰঙীন টি,ভি-ৰ ওপৰত থকা কৰৰ ওপৰত আৰু ২ শতাংশ কৰ বৃদ্ধি পাব ।

৬। কাপোৰ ধোৱা যন্ত্ৰ, ৰন্ধণ যন্ত্ৰ, বৈদ্যুতিক চুলা, "গীজাৰ" (Geyser) ইত্যাদি উপভোক্তা সামগ্ৰীবোৰ হ'ল দামী সামগ্ৰী আৰু প্ৰধানকৈ সমাজৰ আঢ্যৱন্ত শ্ৰেণীৰলোকে ইয়াক ব্যৱহাৰ কৰে । এই সামগ্ৰী সমূহৰ ওপৰত থকা বিক্ৰীকৰ ২ শতাংশৰে বৃদ্ধি কৰাৰ প্ৰস্তাৱ কৰা হৈছে ।

৭। বৈদ্যুতিক মটৰ চালিত পানীৰ পাম্প এবিধ বৈদ্যুতিক সামগ্ৰী হোৱা হেতুকে ইয়াৰ ওপৰত ১২ শতাংশ হাৰত বিক্ৰীকৰ লগোৱাৰ প্ৰস্তাৱ কৰা হৈছে ।

৮। বৰ্ত্তমান নানাধৰণৰ ৰং, বৰণ, থিনাৰ আৰু চিক্‌চিকিয়া

পলিচকে ধৰি বাৰ্ণিচবোৰৰ ক্ষেত্ৰত ৮ শতাংশ নিৰিখত কৰ লগোৱা আছে । সকলোধৰণৰ যিকোনো ৰঙৰ ওপৰত এতিয়া ২ শতাংশ কৰ বঢ়োৱাৰ প্ৰস্তাৱ কৰা হৈছে ।

৯। শীতলীকৰণ যন্ত্ৰ,শীততাপ নিয়ন্ত্ৰিত যন্ত্ৰ, বায়ু শীতলীকৰণ যন্ত্ৰ আৰু ইয়াৰ অংশ আদিৰ ওপৰত থকা বিক্ৰকৰৰ পৰিমান ১৩ শতাংশৰ পৰা ১৪ শতাংশলৈ বৃদ্ধি কৰাৰ প্ৰস্তাৱ লোৱা হৈছে । একেদৰে চিনেমাটোগ্ৰাফীক সামগ্ৰীৰ লগতে কেমেৰা আৰু ইয়াৰ আনুষঙ্গিক যন্ত্ৰপাতি , ফটোগ্ৰাফিক সৰঞ্জাম, লেনচেচ্, ফিল্মচ্ আৰু প্লেট্, সকলো ধৰণৰ আগ্নেয়াস্ত্ৰ আৰু খাৰ বাৰুদ, ইলেকট্ৰোপ্লেটেড্ নিকেল, ক্ৰমিয়াম অথবা চিলভাৰৰ বয়বস্তু আৰু ষ্টেইনলেচ্ ষ্টীলৰ পাত আৰু ষ্টেইনলেচ্ ষ্টীলৰ সামগ্ৰী আদিৰ ওপৰত থকা বিক্ৰীকৰ ১২ শতাংশৰ পৰা ১৪ শতাংশলৈ বৃদ্ধি কৰাৰ প্ৰস্তাৱ লোৱা হৈছে ।

১০। অসমৰ লটাৰীৰ টিকট আৰু সেইদৰে আন আন ৰাজ্যবোৰৰ লটাৰী টিকটো ব্যাপক হাৰত বিক্ৰী হয় আৰু কেবাখনো ৰাজ্যই লটাৰী টিকটৰ ওপৰত বিক্ৰী কৰ আৰোপ কৰিছে । সেয়ে মযো লটাৰী টিকট বিক্ৰীৰ ওপৰত ১০ শতাংশ হাৰত কৰ লগোৱাৰ প্ৰস্তাৱ কৰিছোঁ ।

১১। নাৰিকলৰ আঁহেৰে প্ৰস্তুত সামগ্ৰীৰ ওপৰত বৰ্ত্তমানে আৰোপিত ৭ শতাংশ কৰৰ পৰিমান ৮ শতাংশলৈ বৃদ্ধি কৰাৰ প্ৰস্তাৱ কৰা হৈছে । একেদৰে "কলাপচিবল্ গেট্" "ৰুলিং শ্বাটাৰছ্ আৰু ইয়াৰ অংগ প্ৰত্যঙ্গ সমূহ ৭ শতাংশ কৰ সহিতে বিক্ৰীহয় আৰু এইকৰ এতিয়াৰ পৰা ৮ শতাংশলৈ বৃদ্ধি কৰিব খোজা হৈছে ।

১২। হীৰা, এমাৰেল্ড, ৰুবী, পাৰ্ল, চেফায়াৰৰ নিচিনা মূল্যবান পাথৰ আৰু চিনথেটিক আৰু কৃত্ৰিম পাৰ্ল আদিত বৰ্ত্তমানে ৮ শতাংশ কৰ লগোৱা আছে । মই ইয়াক ১২ শতাংশলৈ বঢ়োৱাৰ প্ৰস্তাৱ কৰিছো ।

**কৰ ৰেহাই**

১৩। জনসাধাৰণৰ দৰিদ্ৰ শ্ৰেণীটোক উপকৃত কৰাৰ লগতে বানিজ্যিক প্ৰব্ৰজন (trade diversion) ৰোধ কৰা আৰু কৰৰ নিৰিখ যুক্তিপূৰ্ণ কৰাৰ বাবে মই ক্ষেত্ৰ বিশেষে কৰৰ মাত্ৰা হ্ৰাস কৰাৰ প্ৰস্তাৱো কৰিছো ।

সাধাৰণতে নিম্ন আৰু মজলীয়া আয়ৰ লোক আৰু চৰকাৰৰ তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী সকলে দুই বা তিনি চকীয়া যান ব্যৱহাৰ কৰে । তদুপৰি, তিনিচকীয়া যান-বাহন ৰাজ্যখনৰ বহুতো নিবনুৱা যুৱকৰ নিয়োগ আৰু উপাৰ্জনৰ উৎস । চাৰি চকীয়া যান-বাহনৰ ওপৰত বিক্ৰী কৰৰ হাৰ ৪ শতাংশ । আনহাতে, দুই বা তিনি চকীয়া যান-বাহনৰ ওপৰত এই কৰৰ হাৰ হ'ল ১২ শতাংশ । চুবুৰীয়া ৰাজ্যকেইখনত এইবোৰৰ ওপৰত লগোৱা কৰ অসমতকৈ কম আৰু সেয়ে অসমৰ বহুলোকে এনেবোৰ যান-বাহন সেইবোৰ ৰাজ্যৰ পৰা সস্তাত ক্ৰয় কৰে । ফলস্বৰূপে , আমি বহু পৰিমানৰ কৰ হেৰুৱাইছো । সেয়ে মই দুই বা তিনি চকীয়া যান-বাহনৰ ওপৰত থকা বিক্ৰী কৰ ১২ শতাংশৰ পৰা ৭ শতাংশলৈ কমোৱাৰ প্ৰস্তাৱ কৰিছো । দুই বা তিনি চকীয়া যান-বাহনৰ বৰ্দ্ধিত বিক্ৰীয়ে অকল কৰৰ হাৰ কমাই দিয়াৰ বাবে হোৱা সম্ভাব্য ক্ষতিপূৰণ কৰাই নহয় বৰঞ্চ এক বুজন পৰিমাণৰ অতিৰিক্ত ৰাজহো আনিব ।

১৪। সমাজৰ দুখীয়া শ্ৰেণী আৰু ছাত্ৰ-ছাত্ৰী সকলে চাইকেল ব্যৱহাৰ কৰে । বৰ্তমানে অসম বিত্ত (বিক্ৰী কৰ ) আইন, ১৯৫৬ৰ অধীনত চাইকেলৰ বাবে ৪ শতাংশ হাৰত কৰ দিব লাগে । কিন্তু চাইকেলৰ টায়াৰ আৰু টিউবত থকা কৰৰ হাৰ ৮ শতাংশ । দুখীয়া শ্ৰেণী আৰু ছাত্ৰ-ছাত্ৰীক সকাহ দিবলৈকে মই চাইকেলৰ টায়াৰ আৰু টিউবৰ ওপৰত কৰৰ হাৰ ৪ শতাংশলৈ কমোৱাৰ প্ৰস্তাৱ কৰিছো ।

১৫। এলুমিনিয়াম কৰুগেটেড্ চীট আৰু গেলভেনাইজ আয়ৰণ চীট চালৰ বাবে ব্যৱহাৰ কৰা হয় । কৰুগেটেড্ গেলভেনাইজ আয়ৰণ চীটত বিক্ৰী কৰ মাত্ৰ ৪ শতাংশ কিন্তু এলুমিনিয়াম কৰুগেটেড চীটত অসম বিত্ত কৰ ৮ শতাংশ । আনহাতে, এই

দুয়োবিধ সামগ্ৰীকে একে শ্ৰেণীৰ লোকেই একেটা উদ্দেশ্যতে ব্যৱহাৰ কৰে । এতিয়াৰ পৰা এই উভয় বিধ সামগ্ৰীৰ ওপৰত বিক্ৰী কৰ ৪ শতাংশ অৰ্থাৎ একে নিৰিখত ৰখাৰ প্ৰস্তাৱ কৰা হৈছে ।

১৬। কেইখনমান চুবুৰীয়া ৰাজ্যত প্ৰকৃত গ্ৰাহক যেনে চাহ বাগিচা, কেব্‌ল এণ্ড কণ্ডাক্টৰ মেনুফেক্‌চাৰচ্, এলুমিনিয়ামৰ বাচন বৰ্ত্তন তৈয়াৰ কৰোতা, বাছ্ আৰু ট্ৰাক গাড়ীৰ ব’ডি প্ৰস্তুত কাৰক, অৰ্‌চেট্ প্লেট প্ৰস্তুত কাৰক আদিৰ বাবে এলুমিনিয়ামৰ পাতৰ ওপৰত ২ শতাংশ বিক্ৰী কৰ লগোৱা হৈছে । বৰ্ত্তমান যিহেতু অসমত এলুমিনিয়ামৰ পাতৰ ওপৰত ধাৰ্য্য কৰা কৰ হ’ল ৮ শতাংশ, সেয়ে মানুহে আন ৰাজ্যৰ পৰা এলুমিনিয়ামৰ পাত কিনিবলৈ বিচাৰে, ফলত এই ব্যৱসায়ৰ প্ৰব্ৰজন ঘটে । এই পৰিস্থিতি ৰোধ কৰাৰ বাবে বিক্ৰীৰপ্ৰথম পৰ্য্যায়ত আৰু পৰৱৰ্ত্তী পৰ্য্যায়ত ২ শতাংশকৈ কৰ আৰোপ কৰাৰ প্ৰস্তাৱ কৰিছো ।

১৭। সাক্ষৰতা আঁচনিৰ গুৰুত্ব উপলব্ধি কৰিয়েই শিক্ষানুষ্ঠানৰ মুৰব্বীৰ পৰা অনা প্ৰমাণ পত্ৰ দাখিল কৰা চৰ্ত সাপেক্ষে স্কুলইউনিৰ্ফমৰ ওপৰত থকা বিক্ৰী কৰ সম্পূৰ্ণকৈ উঠাই লোৱা হব । তাৰোপৰি, অন্ধবিদ্যালয় আৰু অনাথ আশ্ৰমৰ ছাত্ৰ-ছাত্ৰী সকলে ব্যৱহাৰ কৰা ব্যয় বস্তু আৰু আন শিক্ষা প্ৰতিষ্ঠানত থকা এনে ধৰণৰ ছাত্ৰ-ছাত্ৰী সকলে ব্যৱহাৰ কৰা সা-সৰঞ্জাম আদিৰ ওপৰত থকা বিক্ৰী কৰ উঠাই লোৱা হব । অৱশ্যে তাৰ বাবে প্ৰতিষ্ঠানৰ মুৰব্বীৰ প্ৰমাণ পত্ৰ দাখিল কৰিব লাগিব ।

১৮। শাৰীৰিকভাৱে বাধা গ্ৰস্ত আৰু ৰুগীয়া লোক সকলে ব্যৱহাৰ কৰা হুইল চেয়াৰ’ৰ আৰু বিশেষ জোতাৰ ওপৰত থকা বিক্ৰীকৰ উঠাই লোৱা হ’ব ।

১৯। শিক্ষা প্ৰতিষ্ঠানবোৰলৈ যোগান ধৰা "ফাৰ্নিচাৰ" বোৰৰ ওপৰত থকা কৰৰ নিৰিখো ১২ শতাংশৰ পৰা ৮ শতাংশলৈ কমোৱাৰ প্ৰস্তাৱ লোৱা হৈছে ।

২০। বৰ্ত্তমানে ৰাসায়নিক সাৰভৰোৱা "লেমিনেটেড" বস্তাবোৰৰ ওপৰত কোনো কৰ নাই । এই কৰবিহীন ব্যৱস্থা এতিয়া পচনসাৰ, শুকান গোবৰ, গৰু-মহক খুওৱা খলিহে, কেল্চাইনড্ কোক্ আদি ভৰোৱা বস্তা সমূহলৈকে সম্প্ৰসাৰণ কৰা হ'ব ।

২১। শিশু খাদ্যৰ ওপৰত থকা বৰ্ত্তমানৰ কৰৰ নিৰিখহ'ল ৮ শতাংশ । আমাৰ শিশু আৰু লৰা'ছোৱালীবোৰৰ স্বাস্থ্য, গঠন আৰু পুষ্টিৰ প্ৰতি লক্ষ্য ৰাখি শিশু খাদ্যৰ ওপৰত থকা কৰৰ হাৰ ৫০ শতাংশ কমোৱাৰ প্ৰস্তাৱ কৰা হৈছে ।

২২। মটৰগাড়ী, ট্ৰেইলৰ আদিত ব্যৱহাৰ কৰা টায়াৰ আৰু টিউব আৰু বেটাৰীৰ ওপৰত লগোৱা কৰ অসমতকৈ চুবুৰীয়া ৰাজ্য কেইখন মানত কম হোৱাৰ বাবে বেচাকিনাৰ প্ৰৱজন হৈছে আৰু তাৰ ফলত বুজন পৰিমানৰ কৰ লোকচান হৈছে । সেয়ে উক্ত সামগ্ৰী সমূহৰ ওপৰত থকা কৰৰ পৰিমান ১২ শতাংশৰ পৰা ৮ শতাংশলৈ কমোৱাৰ প্ৰস্তাব কৰা হৈছে । একে কাৰণতে প্লেইন হোৱাইট ছীট আৰু কৰ'গেটেড চীটৰ ওপৰত থকা বিক্ৰীকৰও ৮ শতাংশৰ পৰা ৪ শতাংশলৈ কমোৱাৰ প্ৰস্তাৱ কৰা হৈছে ।

২৩। ১৯৯১ চনৰ ঔদ্যোগীক নীতিত থকা উদগনিমুলক ব্যৱস্থানুসৰি মই নতুন উদ্যোগ গোট সমূহক বিক্ৰীকৰ ৰেহাই দিয়াৰ বাবে প্ৰস্তাৱ লৈছো । এই ৰেহাই সম্প্ৰতি থকা গোট বোৰৰ যিবোৰে সম্প্ৰসাৰণ, আধুনিকীকৰণ আৰু বিন্যাস কৰণৰ কাম হাতত লৈছে সেই বোৰৰ ক্ষেত্ৰতো প্ৰযোজ্য হ'ব ।

২৪। আমাৰ অভিজ্ঞতাৰ পৰা দেখাগৈছে যে অসংগঠিত বজাৰত বিক্ৰীহোৱা সামগ্ৰীবোৰৰ ক্ষেত্ৰত যথেষ্ট কৰ ফাঁকি দিয়া হয় । এই সুৰুঙা বন্ধ কৰিবলৈ এনেবোৰ সামগ্ৰী বিক্ৰীৰ প্ৰথম স্তৰত আৰু শেষ স্তৰত-দুয়োটা স্তৰতে বিক্ৰীকৰ লগোৱাৰ প্ৰস্তাৱ কৰা হৈছে । এনে কৰিলে গ্ৰাহকৰ মুঠ বোজা কিছুমান সামগ্ৰীৰ ক্ষেত্ৰত প্ৰান্তিক ভাবে অধিকতৰ হ'ব যদিও কিছুমান দৈনন্দিন ব্যৱহাৰ্য্য সামগ্ৰীৰ

ক্ষেত্রত কোনো ধৰণৰ অতিৰিক্ত বোজা গ্ৰাহকৰ ওপৰত নপৰিব । উদাহৰণস্বৰূপে মটৰ গাড়ীৰ অতিৰিক্ত অংশপাতি, হাতঘড়ী, দেৱাল ঘড়ী আদিৰ ওপৰত আগতে বিক্ৰীৰ শেষস্তৰত কৰ লগোৱা হৈছিল ১২ শতাংশ হাৰত । এতিয়া এই কৰ লগোৱা হ'ব বিক্ৰীৰ প্ৰথম স্তৰত ৮ শতাংশ হাৰত আৰু শেষ স্তৰত ৬ শতাংশ হাৰত। চুইচ্‌বোৰ্ড, বেটন, ক্লিপচ্ আৰু অন্যান্য একে জাতীয় বৈদ্যুতিক সা-সৰঞ্জাম আদিৰ ওপৰত ধাৰ্য্য কৰা কৰৰ পৰিমাণ আছিল আগতে ৮ শতাংশ । এতিয়া এইবোৰ সামগ্ৰীৰ ক্ষেত্ৰত এই কৰ ধাৰ্য্য কৰা হ'ব বিক্ৰীৰ প্ৰথম স্তৰত ৬ শতাংশ আৰু শেষ স্তৰত ৪ শতাংশ হাৰত।

২৫। যান বাহন, সা-সৰঞ্জাম আদি লিজত দিয়াৰ ব্যৱস্থা কিছুদিনৰ ভিতৰত যিহেতু যথেষ্ট জনপ্ৰীয় হৈ উঠিছে সেই বাবে এই ক্ষেত্ৰত এবিধ কৰ ধাৰ্য্য কৰিবলৈ প্ৰস্তাৱ কৰিছো । সা-সৰঞ্জাম সমূহৰ লীজৰ ওপৰত বোপন কৰা কৰ ৫ শতাংশ সম হাৰত ৰখা হৈছে । যি ১৪ বিধ সা-সামগ্ৰীৰ লীজৰ বাবে বিক্ৰীকৰ প্ৰযোজ্য হ'ব, সেইবিলাকৰ তালিকা প্ৰস্তাৱিত বিলৰ ৭ নং অনুসূচীত দিয়া হৈছে । এই সামগ্ৰীবোৰ ভিতৰত আছে যান-বাহন, কাৰখানা আৰু যন্ত্ৰপাতি, ক্ৰেন, টি ভি চেট, ভি চি আৰ, ভি চি পি, কম্পিউটাৰ, ৰনিওমেচিন, টেলিফোন, শীতলীকৰন যন্ত্ৰ, ৱাটাৰ কুলাৰ আৰু ৰেফ্ৰিজেৰেটৰ, প্ৰজেক্টৰ আৰু চিনেমা অটোগ্ৰাফিক যন্ত্ৰপাতি ।

২৬। মই কৰ্ম্ম বন্দোবস্তি ঠিকাত কৰৰ পৰিসৰ বৃদ্ধি কৰিবলৈ প্ৰস্তাৱ কৰিছো । কৰ্ম বন্দোবস্তি ঠিকাৰ মূল্যৰ পৰা শ্ৰমিকৰ ব্যয়ৰ অংশ ৰেহাই দিয়াৰ পিছত পৰিশিষ্ট অংশৰ ওপৰত ইচ্ছাকৃত ভাবেই মাত্ৰ ২ শতাংশ হাৰত কৰ ধাৰ্য্য কৰা হৈছে । সি যি কি নহওক এই দৰে শ্ৰমিক ব্যয়ৰ বাবদ সৰ্বাধিক ১০ৰ পৰা ৩০ শতাংশলৈহে ৰেহাই পাব পাৰিব । এনেদৰে ২ শতাংশ বিক্ৰীকৰ বহন-কাৰী কৰ্ম্ম বন্দোবস্তি ঠিকাসমূহৰ তালিকা বিলৰ ষষ্ঠ অনুসূচীত দিয়া হৈছে । এই ব্যবস্থাৰ ফলত ৰাজ্যখনত কাৰ্যকৰী হৈ থকা ডাঙৰ ঠিকা সমূহৰ পৰা এক বুজন পৰিমানৰ ৰাজহ চৰকাৰৰ হাতলৈ আহিব বুলি আশা কৰা হৈছে ।

মাননীয় সদস্য সকলে নিশ্চয় জানে যে যোৱা বাজেট অধিবেশনত যান-বাহনৰ ওপৰত ধাৰ্য্য কৰা কৰৰ নিৰিখ সমূহ পুণৰ নিৰ্দ্ধাৰন কৰা হৈছিল । কৰ সংগ্ৰহৰ দক্ষতা বৃদ্ধি আৰু সময়ে সময়ে কৰ দি থকা ব্যক্তিগত গাড়ীৰ মালিক সকলে ভোগ কৰা অসুবিধা সমূহ দুৰ কৰাৰ উদ্দেশ্যে অসম যান-বাহন কৰ আৰোপন আইনখনৰ উপযুক্ত সংশোধন সাধিবলৈ চিন্তা কৰা হৈছে । এই সংশোধনীৰ ফলত যান-বাহনৰ কৰ এককালীন ভিত্তিত এটা কিস্তিতে দিয়াৰ সুবিধা হ'ব । এবাৰ এই কৰ দিয়াৰ পাছত গাড়ীৰ মালিকে সেই গাড়ীখনৰ পিছৰ কালছোৱাৰ বাবে আৰু কোনো ধৰণৰ কৰ দিব লগা নহব ।

ৰাজ্য চৰকাৰে ৪ৰ্থ বৰ্গৰ কৰ্ম্মচাৰী সকলক বৃত্তি কৰ দিয়াৰ পৰা সকাহ দিব লাগে বুলি সেৱা সন্থাৰ (Service Association) ফালৰ পৰা আবেদন আহিছে। চৰকাৰৰ সংকটজনক আৰ্থিক অৱস্থা সত্বেও মই এই দাবীৰ প্ৰতি সম্মতি জনাইছো আৰু সিদ্ধান্ত লৈছো যে - যিসকল কৰ্ম্মচাৰীয়ে মাহিলি ২০৮৩ টকাতকৈ কম দৰমহা পায় তেওলোকক বৃত্তি কৰৰ পৰা সম্পূৰ্ণভাৱে ৰেহাই দিয়া হ'ব আৰু যি সকলে ২০৮৩ টকাৰ পৰা ২৫০০ টকালৈ দৰমহা পায় তেওলোকে বৰ্ত্তমানৰ মাহিলী ২০ টকাৰ বিপৰীতে ১৫ টকাৰ হাৰত বৃত্তি কৰ দিব লাগিব । এই ৰেহাইৰ ফলত চৰকাৰে বছৰি প্ৰায় ১০ কোটি টকা হেৰুৱাৰ সম্ভাৱনা আছে ।

১৯৯২-৯৩ চনৰ মূল বাজেট প্ৰাক্কলন উত্থাপন কৰোঁতে আশা কৰা হৈছিল যে ১৯৯১-৯২ চনৰ বছৰটো ৫৯ কোটি টকাৰ ঘাটিৰে সামৰণি পৰিব । অসমৰ মহাগাননিকৰ দ্বাৰা সংগৃহীত হিচাপ অনুযায়ী প্ৰকৃততে বছৰটো সামৰণি পৰিছিল ৮১ কোটি টকাৰ ঘাহিৰেহে ।

(—) ৫৯.৩১ কোটি টকাৰ ঘাটিৰে বছৰটো আৰম্ভণি কৰি ১৯৯২-৯৩ চনৰ বাজেট প্ৰাক্কলনত ৩৬.২৬ কোটি টকাৰ আনুমানিক ঘাহি দেখুওৱা হৈছিল । ১৯৯২-৯৩ চনৰ্ সংশোধিত প্ৰাক্কলনত এতিয়া ১২০.৩৮ কোটি টকাৰ ঘাহি দেখা গৈছে । ইয়াৰ মূল কাৰণ হ'ল

১৯৯২-৯৩ চনৰ বাজেটত দেখুওৱা আৰম্ভণি (–) ৫৯,৩১ কোটি টকা ঘাটিৰ পৰিবৰ্ত্তে প্ৰকৃততে বছৰটো আৰম্ভ হৈছিল ৮১ কোটি টকা ৰাহিৰেহে । ভাৰত চৰকাৰে শুৰিতেই পৰিকল্পনাৰ বাবদ দিয়া কেন্দ্ৰীয় সাহায্যৰ টকা কাটি ৰখাত পৰিকল্পনা শিতানত কম ব্যয় হোৱাটোও এই ৰাহিৰ আন এটা কাৰণ ।

১৯৯২-৯৩ চনৰ সংশোধিত প্ৰাক্‌কলনতকৈ ১৯৯৩-৯৪ চনৰ বাজেটৰ প্ৰাপ্তিৰ পৰিমাণ ৩২৭.৯২ কোটি টকা বাঢ়িব বুলি অনুমান কৰা হৈছে । অৱশ্যে খৰচৰ শিতানতো ১৯৯২-৯৩ চনৰ সংশোধিত প্ৰাক্‌কলনৰ তুলনাত ৬৪৯.৯৩ কোটি টকাৰ বৃদ্ধি দেখুওৱা হৈছে । স্বাভাৱিক বৃদ্ধিৰ উপৰিও ৰাজ্যখনৰ অনাদায়ী ঋণ-দায়িত্ব ১৯৯২-৯৩ৰ পৰা ১৯৯৩-৯৪লৈ কঢ়িয়াই অনাৰ বাবেই এই ব্যয় বৃদ্ধি হ'বলৈ পাইছে।

১৯৯৩-৯৪ চনৰ বছৰটোৰ আনুমানিক লেন-দেন সমূহৰ ফলত ২৮২.৯৮ কোটি টকাৰ ঘাটি হ'ব বুলি অনুমান কৰা হৈছে । আনুমানিক ১২০.৩৮ কোটি টকাৰ ৰাহিৰে আৰম্ভনী কৰি ১৯৯৩-৯৪ চনৰ বছৰটো আনুমানিক ১৬২.৬০ কোটি টকাৰ ঘাটিৰে সামৰণি পৰিব বুলি অনুমান কৰা হৈছে । লেন-দেন সমূহৰ এক সংক্ষিপ্ত বিৱৰণ ১নং পৰিশিষ্টত সন্নিবিষ্ট কৰা হৈছে ।

বিক্ৰীকৰ বিলখনত সন্নিবিষ্ট বিভিন্ন কৰ প্ৰস্তাৱ ১ এপ্ৰিল ১৯৯৩ৰ পৰা বৰ্দ্ধিত হাৰত পাবলগীয়া খাৰুৱা তেলৰ ৰয়েলিটিৰ অতিৰিক্ত টকা, ৰাজহ আহৰণৰ উন্নত ব্যৱস্থা আৰু ব্যয় সংকোচনৰ জৰিয়তে বাজেটত প্ৰতিফলিত ১৬২.৬০ কোটি টকাৰ ঘাটি জোৰা মাৰিব পৰা হ'ব বুলি আশা কৰা হৈছে । ঋণ পৰিশোধৰ ক্ষেত্ৰত ভাৰত চৰকাৰৰ ফালৰ পৰা ইতিবাচক সঁহাৰি পোৱা যাব বুলিও ৰাজ্য চৰকাৰে আশা কৰিছে ।

এই খিনি কথাৰেই অধ্যক্ষ মহোদয়, ১৯৯৩-৯৪চনৰ বাজেটখন মই সন্মানিত সদনৰ বিবেচনাৰ বাবে আগবঢ়াই দিলো ।

## পৰিশিষ্ট— ১

### লেন-দেনৰ সংক্ষিপ্ত বিবৰণ

*(লাখ টকাৰ হিচাপত)*

| | প্ৰকৃত ১৯৯১-৯২ | বাজেট প্ৰাক্কলন ১৯৯২-৯৩ | সংশোধিত প্ৰাক্কলন ১৯৯২-৯৩ | বাজেট প্ৰাক্কলন ১৯৯৩-৯৪ |
|---|---|---|---|---|
| **ক) প্ৰাপ্তি ঃ** | | | | |
| ১) একত্ৰিত পুঁজি | | | | |
| বাজহ হিচাপ | ২৪,১৭,৬৬ | ৩২,৩৩,৯৩. | ২৮,৪২,২৯ | ২৯,৫৬,৩২ |
| মূলধন হিচাপ | ১০,২৩,৪২ | ৯,৫৯,০৩ | ১০,২৯,৫৬ | ১০,৪৮,১৭ |
| মুঠ- | ৩৪,৪১,০৮ | ৪১,৯২,৯৬ | ৩৮,৭১,৮৫ | ৪০,০৪,৪২ |
| ২) আকস্মিক নিধি হিচাপ | ১৬,০৬ | ২,৯৫ | ২,৯৫ | – |
| ৩) ৰাজহুৱা হিচাপ | ১৭,৪৭,৫০ | ১৪,০৮,৮২ | ১৩,৯৮,৮২ | ১৫,৯৭,০৫ |
| সৰ্বমুঠ (১+২+৩) | ৫২,০৪,৬৪ | ৫৬,০৪,৭৩ | ৫২,৭৩,৬২ | ৫৬,০১,৫৫ |
| **খ) ব্যয়** | | | | |
| ১) একত্ৰিত পুঁজি | | | | |
| বাজহ হিচাপ | ২১,৪৮,১০ | ২৬,১৫,২৮ | ২৫,৩৮,৮৭ | ২৭,৭৪,৫০ |
| মূলধন হিচাপ | ১৩,২৭,৯৬ | ১৫,২৮,১৩ | ১৩,২৯,৯৭ | ১৫,৪৭,৬৯ |
| মুঠ- | ৩৪,৭৬,০৮ | ৪১,৪৩,৪১ | ৩৮,৬৮,৮৪ | ৪৩,২২,১৯ |
| ২) আকস্মিক নিধি হিচাপ | ১৬,০৮ | – | – | – |
| ৩) ৰাজহুৱা হিচাপ | ১৬,৮৯,০৪ | ১৩,৬৫,৭৫ | ১৩,৬৫,৭৫ | ১৫,৬২,৩৩ |
| সৰ্বমুঠ (১+২+৩) | ৫১,৮১,২০ | ৫৫,০৯,১৬ | ৫২,৩৪,৫৯ | ৫৮,৮৪,৫২ |
| **গ) বছৰটোৰ ভিত্তিত লেনদেন** | | | | |
| বাহি (+) | ২৩,৪৪ | ৯৫,৫৭ | ৩৯,০৩ | – |
| ঘাটি (–) | – | – | – | ২,৮২,৯৮ |
| **ঘ) আৰম্ভণিৰ হিচাপ** | | | | |
| বাহি (+) | ৫৭,৯১ | – | ৮১,৩৫ | ১,২০,৩৮ |
| ঘাটি (–) | – | ৫৯,৩১ | – | – |
| **ঙ) সামৰণিৰ হিচাপ** | | | | |
| বাহি (+) | ৮১,৩৫ | ৩৬,২৬ | ১,২০,৩৮ | – |
| ঘাটি (–) | – | – | – | ১,৬২,৬০ |

# ANNEXURE - II
## PART-I

### *PROPOSED CHANGES IN THE RATES OF TAXES*

| Sl. No. | Name of Commodity | Existing rate | Proposed rate |
|---|---|---|---|
| 1 | 2 | 3 | 4 |
| 1. | Ayurvedic, Homeopathic and Unani medicines which are sold in patent and in brand name | Nil | 4 paise in the rupee |
| 2. | X-ray, Ultra-sound and Scanning machines, other medical equipments, parts and accessories | 8 paise in the rupee | 12 paise in the rupee |
| 3. | All varieties of tractors, bulldozers, excavators, earthmovers, power tillers and parts and accesories thereof | 8 paise in the rupee | 12 paise in the rupee |
| 4. | Perambulators | 12 paise in the rupee | 14 paise in the rupee |
| 5. | Tyres (including pneumatic tyres) flaps and tubes ordinarily used for motor vehicles and trailers (whether or not such tyres, flaps and tubes are also used for other vehicles) and batteries | 12 paise in the rupee | 8 paise in the rupee |
| 6. | Cosmetics and toilet requisites including scent, perfumes, snows and creams, powder, lipstick and eye-lashes | 13 paise in the rupee | 14 paise in the rupee |
| 7. | Sanitary towels, sanitary napkins and the like | 7 paise in the rupee | 8 paise in the rupee |
| 8. | Carpets including durries | 13 paise in the rupee | 14 paise in the rupee |
| 9. | Kitchenwares and utensils coated with heat resistant and stick resistant used for cooking as well as serving | 8 paise in the rupee | 12 paise in the rupee |

| Sl. No. | Name of Commodity | Existing rate | Proposed rate |
|---|---|---|---|
| 1 | 2 | 3 | 4 |
| 10 | Motor cycle and motor cycle combinations, motor scooter, three wheeler motor vehicles and spare parts and accessories thereof | 12 paise in the rupee | 7 paise in the rupee |
| 11 | Refrigerators and airconditioning plants and components parts thereof | 13 paise in the rupee | 14 paise in the rupee |
| 12 | Vacuum flasks of all kinds including thermoware | 12 paise in the rupee | 14 paise in the rupee |
| 13 | Collapsible gates, rolling shutters whether operated manually, mechanically or electrically and their parts and grills made of iron or steel | 7 paise in the rupee | 8 paise in the rupee |
| 14 | White sheets plain and corrugated, including asbestos sheets. | 8 paise in the rupee | 4 paise in the rupee |
| 15 | Cinematographic equipments including cameras, projection and sound recording and reproducing equipment, lenses, films and parts and accessories required for use therewith. | 12 paise in the rupee | 14 paise in the rupee |
| 16 | Photographic and other cameras and enlargers, lenses, films and plates, paper, cloth and other parts and accessories required for use therewith | 12 paise in the rupee | 14 paise in the rupee |
| 17 | Electronic systems, instruments, apparatus and appliances including computers of all varieties and other electronic items and parts and accessories of all such goods. | 12 paise in the rupee | 14 paise in the rupee |

| Sl. No. | Name of Commodity | Existing rate | Proposed rate |
|---|---|---|---|
| 1 | 2 | 3 | 4 |
| 18. | Colour Television sets, video cassette recorders, video cassette players, other wireless reception instruments and apparatus, radios, radio gramophone, electrical valves, accumulators, amplifiers and loud speakers and parts and accessories thereof | 12 paise in the rupee | 14 paise in the rupee |
| 19. | Diamonds, emeralds, rubies, real pearls and sapphires, synthetic or artificial precious stones, pearls, artificial or cultured | 8 paise in the rupee | 12 paise in the rupee |
| 20. | Lubricants | 10 paise in the rupee | 12 paise in the rupee |
| 21. | Polyester Staple Fibre (PSF) Dimethyl -terephthalate (DMT) | Nil | 2 paise in the rupee |
| 22. | All arms including rifles, revolver, pistols and ammunition for the same | 12 paise in the rupee | 14 paise in the rupee |
| 23. | Agarbati | 7 paise in the rupee | 8 paise in the rupee |
| 24. | Articles made of fur and skin | 7 paise in the rupee | 12 paise in the rupee |
| 25. | Acrylic yarn, acrylic blended yarn, and polyester yarn, viscose yarn, polyester viscose blended yarn | 7 paise in the rupee | 2 paise in the rupee |
| 26. | Coir products | 7 paise in the rupee | 8 paise in the rupee |
| 27. | Electroplated nickel, chromiun or silver or german silver goods | 12 paise in the rupee | 14 paise in the rupee |
| 28. | Fire works including coloured matches | 8 paise in the rupee | 12 paise in the rupee |

| Sl. No. | Name of Commodity | Existing rate | Proposed rate |
|---|---|---|---|
| 1 | 2 | 3 | 4 |
| 29. | Ice slabs | 7 paise in the rupee | 8 paise in the rupee |
| 30. | Lottery tickets | Nil | 10 paise in the rupee |
| 31. | Polythene granules and polythene sheets, wrappers and bags | 7 paise in the rupee | 8 paise in the rupee |
| 32. | Plastic and other rubber foam products and similar other articles made wholly or partly of artificial or synthetic resin | 12 paise in the rupee | 14 paise in the rupee |
| 33. | Stainless steel sheets and stainless steel products | 12 paise in the rupee | 14 paise in the rupee |
| 34. | Weights and measures | 7 paise in the rupee | 8 paise in the rupee |
| 35. | Paints, colours, lacquers, varnishes, including glaze, polish, turpentine, thinners, putty, enamels and indigo | 8 paise in the rupee | 10 paise in the rupee |

## Part-II

## Proposed changes in tax-rates with the introduction of TWO POINT TAXATION- point of first sale and point of last sale

| Sl. No | Name of Commodity | Existing rate | At the point of first sale in the State to persons other than registered dealers | At the point of first sale in the State to a registered dealer | At the point of last sale in the State |
|---|---|---|---|---|---|
| 1 | 2 | 3 | 4 | 5 | 6 |
| 1. | Component parts of motor vehicles and other articles adopted for use generally as parts or accessories of motor vehicles and trailers. | 12 paise in the rupee | 14 paise in the rupee | 8 paise in the rupee | 6 paise in the rupee |
| 2. | Iron and steel safes, almirahs. | 13 paise in the rupee | 14 paise in the rupee | 8 paise in the rupee | 6 paise in the rupee |
| 3. | All types of aluminium, iron and steel furniture including slotted angles , racks and parts thereof. | 8 paise in the rupee | 12 paise in the rupee | 6 paise in the rupee | 6 paise in the rupee |
| 4. | Onion and garlic (No change in the tax-rate) | 8 paise in the rupee | 8 paise in the rupee | 4 paise in the rupee | 4 paise in the rupee |
| 5. | Switch boards; ceiling roses, battons link clips and other electrical fitting of similar nature. | 8 paise in the rupee | 10 paise in the rupee | 6 paise in the rupee | 4 paise in the rupee |
| 6. | Vegetable oils, both edible and non-edible including vanaspati or vegetable ghee but excluding mustard oil. (No change in tax rate) | 8 paise in the rupee | 8 paise in the rupee | 4 paise in the rupee | 4 paise in the rupee |
| 7. | Watches clocks and parts thereof. | 12 paise in the rupee | 14 paise in the rupee | 8 paise in the rupee | 6 paise in the rupee |
| 8. | All kinds of footwears including chappals made of leather, plastic, synthetic or moulded materials. | 8 paise in the rupee | 8 paise in the rupee | 4 paise in the rupee | 4 paise in the rupee |

| Sl. No. | Name of Commodity | Existing rate | At the point of first sale in the State to persons other than registered dealers | At the point of first sale in the State to a registered dealer | At the point of last sale Sn the state |
|---|---|---|---|---|---|
| 1 | 2 | 3 | 4 | 5 | 6 |
| 9. | All kinds of suit cases and brief cases made of plastic, nylon, leather or moulded materials, excluding steel trucks. | 8 paise in the rupee | 10 paise in the rupee | 6 paise in the rupee | 4 paise in the rupee |
| 10. | All kinds of plastic, celluloid bakelite or moulded articles. | 8 paise in the rupee | 10 paise in the rupee | 6 paise in the rupee | 4 paise in the rupee |

## Part-III
## Rates of tax on Works Contact.

| Sl. No. | Description of works contract | Maximum Percentage of deduction in computing tax. | Rate of Tax (Percent) |
|---|---|---|---|
| 1 | 2 | 3 | 4 |
| 1. | Fabrication and installation of plant and machinery | 15% | 2% |
| 2 | Fabrication and erection of structural works, including fabrication, supply and erection of iron trusses, purlines, etc | 20% | 2% |
| 3 | Fabrication and installation of cranes and hoists. | 15% | 2% |
| 4 | Fabrication and installation of elevators (lifts) and escalators. | 15% | 2% |
| 5 | Fabrication and installation of rolling shutters and collapsible gates. | 15% | 2% |
| 6 | Civil works like construction of buildings, bridges, roads etc. | 25% | 2% |
| 7 | Installation of doors, door frames, windows, window frames and grills. | 25% | 2% |
| 8 | (i) Supplying and fixing of mosaic tiles | 20% | 2% |
| | (ii) Supplying and fixing of marble slabs polished granite stones and tiles (other than mosaic tiles) | 20% | 2% |
| | (iii) Supplying and fixing of slabs stones and sheets [other than those specified at items (i) and (ii) above] | 20% | 2% |
| 9 | Supplying and installation of airconditioning equipments including deepfreezers, cold storage plants, humidification plants and dehumidifiers. | 20% | 2% |
| 10 | Supplying and installation of air-conditioners and air-coolers. | 20% | 2% |

| Sl. No | Description of works contract | Maximum Percentage of deduction in computing tax. | Rate of Tax (Percent) |
|---|---|---|---|
| 1 | 2 | 3 | 4 |
| 11 | Supplying and fitting of electrical goods, supply and installation of electrical equipments including transformers. | 10% | 2% |
| 12 | Supplying and fixing of furniture and fixtures, partitions including contracts for interior decorations. | 15% | 2% |
| 13 | Construction of railway coaches on under carriages supplied by Railway. | 20% | 2% |
| 14 | Ship and boat building including construction of barges, ferries, tugs trawlers and dredgers. | 20% | 2% |
| 15 | Sanitary fitting for pumping, drainage etc. | 15% | 2% |
| 16 | Painting and polishing. | 15% | 2% |
| 17 | Construction of bodies of motorvehicles and construction of trailers. | 25% | 2% |
| 18 | Insulation and lining of equipments, plant and machinery, instruments, Appliances of buildings. | 15% | 2% |
| 19 | Providing and laying of pipes for purposes other than those specified in serial number 15 of this schedule. | 15% | 2% |
| 20 | (i) Providing and laying of pipes (other than steel pipes) for purposes other than those specified in serial number 15 of this schedule. | 15% | 2% |
| | (ii) Providing and laying of steel pipes for purposes other than those specified in serial number 15 of this schedule. | 15% | 2% |

| Sl. No | Description of works contract | Maximum Percentage of deduction in computing tax. | Rate of Tax (Percent). |
|---|---|---|---|
| 1 | 2 | 3 | 4 |
| 21 | Programming and providing of computers, software | 15% | 2% |
| 22 | Fabrication, testing and reconditioning of metallic gas cylinders. | 20% | 2% |
| 23 | Tyre retreading | 15% | 2% |
| 24 | Processing and supplying of photograph, photoprints, photonegatives. | 15% | 2% |
| 25. | Supplying and installation of electronic instruments equipments, apparatus, appliances and devices. | 10% | 2% |
| 26. | Supplying and installation of fire fighting equipments and devices. | 10% | 2% |
| 27. | Electroplating and anodising. | 25% | 2% |
| 28. | Bottling, canning and packing of goods. | 25% | 2% |
| 29. | Lamination, rubberisation, coating and similar processes. | 25% | 2% |
| 30. | Pringing and block making. | 20% | 2% |
| 31. | Supply and erection of weighing machines and weigh bridges. | 15% | 2% |
| 32. | Supply and installation of submersible and centrifugal pump sets. | 20% | 2% |
| 33. | Dyeing and printing of textiles. | 20% | 2% |
| 34. | Construction of tankers on motor vehicles | 20% | 2% |
| 35. | Supply and fixing of door and window curtains including venetian blinds and nets | 15% | 2% |

**Part-IV**

## GOODS TAXABLE ON LEASE ARRANGEMENTS

| SL. NO. | DESCRIPTION OF GOODS | RATES OF TAX |
|---|---|---|
| 1 | 2 | 3 |
| 1. | Motor vechicles including motor cars motor cabs, motor cycles, motor scooters, motorettes motor omni buses, vans and motor lorries. | 5% |
| 2. | Chassis of motor vehicles. | 5% |
| 3. | Plants and machinery including cranes. | 5% |
| 4. | Television sets, video cassetts recorders and players, pre-recorded video cassettes, and video game equipments. | 5% |
| 5. | Tabulating machine, calculating machines, duplicating machines, weighing machine, roneo machines and computers. | 5% |
| 6. | Telephones. | 5% |
| 7. | Feature films . | 5% |
| 8. | Furniture of all kinds. | 5% |
| 9. | Electronic goods electrical goods, including instruments, apparatus and appliances thereof. | 5% |
| 10. | Air conditioners and air coolers. | 5% |
| 11. | Water coolers, refrigerators, deep freezers, bottle coolers and coldstorage. | 5% |
| 12. | Cinematographic cameras, projectors and lighting equipments. | 5% |
| 13. | Gas Cylinders. | 5% |
| 14. | Crates and Bottles. | 5% |